# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :11**-NOV-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। দিল্লীৰ লালকিল্লাৰ সমীপত কালি সংঘটিত বোমা বিস্ফোৰণত কমেও ৮ জন লোকৰ মৃত্যু। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ পৰিস্থিতি পৰ্যালোচনা। দেশৰ বিভিন্ন অঞ্চলৰ লগতে অসমতো উচ্চ সতৰ্কতা জাৰি।

২। ছবছৰৰ পাছতোএন আৰ চিৰ সমগ্ৰ প্ৰক্ৰিয়া সম্পূৰ্ণ নকৰা বিষয় সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰলৈ জাননী জাৰি।

৩। বিহাৰ বিধানসভাৰ ১২২টা সমষ্টিত দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ আজি পুৱা সাত বজাত আৰম্ভ।

৪। ৰাজ্যৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ প্ৰাৰ্থীসকলক অহা ১৩ নৱেম্বৰত নিযুক্তি পত্ৰ প্ৰদানৰ ব্যৱস্থা।

*আৰু*

৫। ধৰ্তি আবা বীৰচা মুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে ৰাজ্যজুৰি জনজাতীয় গৌৰৱ বৰ্ষ উদযাপন।

oooooo

দিল্লীৰ লালকিল্লাৰ সমীপত কালি সন্ধিয়া সংঘটিত এটা শক্তিশালী বোমা বিস্ফোৰণত কমেও ৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে ২৪ জনৰো অধিক লোক আহত হৈছে। এখন বাহনত সংস্থাপিত এটা বোমা বিস্ফোৰণৰ ফলত হোৱা এই ঘটনা সন্দৰ্ভত অনুসন্ধান চলাই থকা হৈছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। শক্তিশালী এই বিস্ফোৰণটোত অন্য চাৰিখন বাহনৰ ক্ষতি হোৱাৰ লগতে কেইবাজনো পথচাৰী আৰু অট’ৰিক্সাৰ যাত্ৰী আঘাতপ্ৰাপ্ত হয়। শ্ৰীশ্বাহে কয়, যে দিল্লী আৰক্ষী, ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা বাহিনী তথা ফৰেনচিকৰ দলে ঘটনাৰ বিস্তৃত অনুসন্ধান চলাই আছে আৰু এই সন্দৰ্ভত সোনকালেই নিশ্চিত তথ্য লাভ কৰিব।

দিল্লীৰ আৰক্ষী আয়ুক্ত সতীশ গোলচাই প্ৰকাশ কৰা মতে সন্ধিয়া প্ৰায় ৬ বাজি ৫২ মিনিটত লালকিল্লা মেট্ৰ’ ষ্টেচনৰ সমীপত ধীৰ গতিৰে অহা এখন চাৰিচকীয়া বাহনত এই বিস্ফোৰণ সংঘটিত হয়। ঘটনাৰ পাছতে দিল্লী আৰক্ষীৰ শীৰ্ষ বিষয়া, এন এছ জি, এন আই এ আৰু ফৰেণচিক বিশেষজ্ঞৰ দল উপস্থিত হৈ ক্ষিপ্ৰ তদন্ত আৰম্ভ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰী শ্বাহে ঘটনাস্থলী পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লোৱাৰ লগতে চিকিৎসাধীন আহতসকলৰ স্বাস্থ্যৰ বুজ লয়। বিস্ফোৰণ সন্দৰ্ভত ব্যাপক অনুসন্ধান চলোৱা হ’ব বুলিও তেওঁ ভুক্তভোগী লোকসকলক আশ্বাস দিয়ে। শ্ৰী শ্বাহে কালি এই ঘটনাৰ পাছতে সংবাদ মাধ্যমৰ আগত এনেদৰে কয় –

বাইট

দিল্লী আৰক্ষীয়ে ইতিমধ্যে বিস্ফোৰণত ব্যৱহৃত গাড়ীখন চিনাক্ত কৰিছে। এই সন্দৰ্ভত দিল্লী আৰক্ষীয়ে কেইবাটাও ধাৰাৰ অধীনত এটা গোচৰ ৰুজু কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিস্ফোৰণৰ ঘটনাৰ বুজ লোৱাৰ লগতে এই সন্দৰ্ভত গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে বাৰ্তালাপ কৰে। প্ৰধানমন্ত্ৰীয়ে এই ঘটনাত গভীৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে আহতসকলৰ শীঘ্ৰেই আশু-আৰোগ্য ঘোষণা কৰিছে।

ইপিনে, এই ঘটনাৰ পাছতে দেশৰ বিভিন্ন ৰাজ্যত উচ্চ সতৰ্কতা জাৰি কৰা হৈছে। উত্তৰ প্ৰদেশৰ সকলো জিলা আৰু মুম্বাইত উচ্চ সতৰ্কতা জাৰি কৰাৰ লগতে সকলো স্পৰ্শকাতৰ অঞ্চলত তালাচী তীব্ৰতৰ কৰি তোলা হৈছে। অসমতো এই ঘটনাৰ পাছতে সতৰ্কতা বৃদ্ধি কৰা হৈছে। ৰাজ্য চৰকাৰৰ গৃহ বিভাগে প্ৰতিখন জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকক এই

সন্দৰ্ভত সতৰ্ক কৰি দিয়া বুলি জানিব পৰা গৈছে। সন্দেহজনক স্থানসমূহত আৰক্ষীক বিশেষ সাৱধাতা অৱলম্বন কৰিবলৈ কোৱা হৈছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে।

০০০০০০

ছবছৰ পূৰ্বে অসমত চূড়ান্ত এন আৰ চি অৰ্থাৎ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী প্ৰকাশ পোৱাৰ পাছতো এই পৰ্যন্ত এন আৰ চিৰ সমগ্ৰ প্ৰক্ৰিয়া সম্পূৰ্ণ নকৰা বিষয় সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ পৰা ব্যাখ্যা বিচাৰিছে। ন্যায়ালয়ে বিগত ছবছৰে নাগৰিক পৰিচয় পত্ৰ আৰু বাদ পৰি যোৱা নথি প্ৰদানকে ধৰি বিধিগত ব্যৱস্থাসমূহ অসম চৰকাৰে গ্ৰহণ নকৰা বিষয়টোক লৈ দেশৰ মহা পঞ্জীয়ক লোকপিয়ল আয়ুক্ত আৰু এন আৰ চিৰ ৰাজ্যিক সমন্বয়কলৈও জাননী জাৰি কৰিছে। জমিয়ত-উলেমা-ই-হিন্দ আৰু সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থাই দাখিল কৰা এখন লেখ আবেদনৰ ভিত্তিত কালি ন্যায়ালয়ে এই জাননী জাৰি কৰে। সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পি এছ নৰসিংহ আৰু ন্যায়াধীশ এ এছ চন্দুৰকাৰৰ খণ্ড বিচাৰপীঠে পদকীয়া পক্ষসমূহলৈ জাননী জাৰি কৰে। উল্লেখযোগ্য যে ২০১৯ চনৰ ৩১ আগষ্টত চূড়ান্ত এন আৰ চি প্ৰকাশ কৰা হৈছিল যদিও ৰাজ্য চৰকাৰে যোৱা ছবছৰত এন আৰ চিত নাম অন্তৰ্ভুক্ত লোকসকলক ৰাষ্ট্ৰীয় পৰিচয় পত্ৰ আৰু নাম বাদ পৰাসকলক স্বীকৃতি বিহীনতাৰ নথি প্ৰদান নকৰা বিষয়টো লৈ সংগঠন দুটাই ন্যায়ালয়ৰ হস্তক্ষেপ বিচাৰিছিল।

০০০০০০

বিহাৰ বিধানসভাৰ ১২২টা সমষ্টিত দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ আজি পুৱা সাত বজাৰ পৰা আৰম্ভ হৈছে। ৰাজ্যখনৰ ২০ খন জিলাত ৩ কোটি ৭০ লাখৰো অধিক ভোটদাতাই আজি এহেজাৰ ৩০২ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ইয়াৰ ভিতৰত ১৩৪ গৰাকী মহিলা প্ৰাৰ্থীও আছে। ভোটগ্ৰহণ সন্ধিয়া ৬ বজাত সামৰণি পৰিব যদিও ৭ টা সমষ্টিত নিৰাপত্তা সম্পৰ্কীয় বিষয়ৰ বাবে বিয়লি ৫ বজাত ভোটগ্ৰহণ সমাপ্ত হ'ব। এই পৰ্যায়ত ভাৰত-নেপাল সীমান্তৰ সমষ্টিসমূহৰ লগতে মগধ, ক'চি, মিথিলাঞ্চল, সীমাঞ্চল আদিত ভোটগ্ৰহণ কৰা হৈছে। পূব আৰু পশ্চিম চম্পাৰণ জিলাৰ লগতে মধুবনী, সীতামাৰ্হি, ছুপাৱল, কিষাণগঞ্জ, পুৰ্ণিয়া, কাটিহাৰ, ভগলপুৰ, গয়া, ঔৰাংগাবাদকে ধৰি জিলাসমূহতো ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ৪৫ হাজাৰটা কেন্দ্ৰত অনুষ্ঠিত ভোটগ্ৰহণৰ সমগ্ৰ প্ৰক্ৰিয়া ৱেবকাষ্টিং কৰাৰ ব্যৱস্থা কৰা হৈছে।

উল্লেখযোগ্য যে ৰাজ্যখনত যোৱা ৬ নৱেম্বৰত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত প্ৰায় ৬৫ শতাংশ ভোটদাতাই ভোটদান কৰিছিল। অহা ১৪ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

০০০০০০

স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ প্ৰাৰ্থীসকলে ১৩ নৱেম্বৰত নিযুক্তি পত্ৰ লাভ কৰিব। ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে এখন জাননীৰ জৰিয়তে এই কথা প্ৰকাশ কৰিছে। জাননীখনত উল্লেখ কৰা অনুসৰি ১৩ নৱেম্বৰত খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেল পথাৰত আয়োজিত এটা অনুষ্ঠানত প্ৰাৰ্থীসকলক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। শিক্ষক পদৰ প্ৰাৰ্থীসকলক নিজৰ পৰিচয় পত্ৰসহ এই অনুষ্ঠানত উপস্থিত থাকিবলৈ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে আহ্বান জনাইছে।

০০০০০০

ধৰ্‌তি আবা বীৰচা মুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে ৰাজ্যজুৰি জনজাতীয় গৌৰৱ বৰ্ষ উদযাপন কৰা হৈছে। কামৰূপ জিলাৰ ছয়গাঁৱৰ পাণ্টান উচ্চ মাধ্যমিক বিদ্যালয় খেল পথাৰত আজি দিনৰ ২ বজাত বন অধিকাৰ আইন, ২০০৬-ৰ অধীনত জনজাতীয় পৰিয়ালক ভূমি স্বত্ব-পত্ৰ বিতৰণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা এই কাৰ্যসূচীত কামৰূপ জিলাৰ মুঠ চাৰি হাজাৰ ৬৭৩ টা বড়ো, ৰাভা, কাৰ্বি আৰু গাৰো জনজাতীয় পৰিয়ালক ভূমি স্বত্ব পত্ৰ

বিতৰণ কৰিব। কামৰূপ জিলা প্ৰশাসনৰ সৌজন্যত আৰু জনজাতি পৰিক্ৰমা ভৈয়াম, বিভাগৰ সহযোগত আয়োজন কৰা জনজাতীয় গৌৰৱ বৰ্ষ পষেক অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰেও অংশগ্ৰহণ কৰিব।

০০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কালি কমনৱেল্থ সংসদীয় সংস্থা চি পি এ-ৰ ২২ সংখ্যক বাৰ্ষিক সন্মিলনৰ কোহিমাৰ নাগালেণ্ড বিধানসভাত আয়োজিত তৃতীয় আঞ্চলিক মণ্ডলৰ কাৰ্যসূচী উদ্বোধন কৰে। উদ্বোধনী ভাষণত শ্ৰীবিৰলাই কয়, যে উত্তৰ-পূৰ্বাঞ্চল চহকী-সংস্কৃতি, বৈচিত্ৰ্য আৰু শক্তিশালী গণতান্ত্ৰিক প্ৰমূল্যৰ বাবে জনাজাত। তেওঁ কয়, যে এই অঞ্চলটোৱে সক্ৰিয় গণতান্ত্ৰিক ব্যৱস্থা তথা যোগাযোগ আন্তঃগাঁথনি আৰু বিভিন্ন ক্ষেত্ৰত সুযোগ বৃদ্ধিৰ দিশত অবিৰতভাৱে উন্নতি কৰিছে। তেওঁ লগতে সংসদক গণতান্ত্ৰিক ব্যৱস্থাৰ মূল কেন্দ্ৰ বুলি অভিহিত কৰে। এই সন্মিলনে বিধানসভা সমূহৰ কাম-কাজ আৰু দক্ষতাক প্ৰতিফলিত কৰে বুলি তেওঁ উল্লেখ কৰে।

বাইট

লোকসভাৰ অধ্যক্ষগৰাকীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বিধানসভাসমূহক তেওঁলোকৰ একতা আৰু আঞ্চলিক প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি তথা সৰ্বাত্মক বিকাশ আৰু উন্নয়নৰ লক্ষ্যৰে নীতি প্ৰণয়ন কৰাৰ বাবে প্ৰশংসা কৰে। তেওঁ লগতে প্ৰযুক্তি আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰৰ দ্বাৰা প্ৰশাসনত স্বচ্ছতা আৰু দায়বদ্ধতা বৃদ্ধিৰে আঞ্চলিক উন্নয়ন আৰু ঔদ্যোগিক বিকাশ সুনিশ্চিতকৰণৰ দিশত গুৰুত্ব দিয়ে। শ্ৰীবিৰলাই কয়, যে এই অঞ্চলটোৰ অধিকাংশ বিধানসভাৰ কাম-কাজ কাকতবিহীন হৈ উঠাৰ লগতে কেতবোৰ সু-অভ্যাসৰ বিনিময়ৰ ফলত বিধানসভাৰ কাম-কাজ কম পৰিমাণে বিঘ্নিত হোৱাৰ বাবে দৃষ্টান্তৰ সৃষ্টি হৈছে। এই অনুষ্ঠানত নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিউ ৰিঅ'ই নিজৰ ভাষণত বিধানসভাসমূহে সংসদীয় গণতন্ত্ৰ আৰু সহযোগিতামূলক যুক্তৰাষ্ট্ৰীয়বাদৰ আদৰ্শত আস্থা ৰখা উচিত বুলি উল্লেখ কৰে। চি পি এ-ৰ এই অনুষ্ঠানে উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বাত্মক উন্নয়নৰ ক্ষেত্ৰত নীতি প্ৰণয়নৰ হকে উৎসাহিত কৰিব বুলিও তেওঁ উল্লেখ কৰে।

০০০০০০

ৰহাৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা চাপৰমুখ ৰে'লৱে জংছন আৰু পশ্চিম কাৰ্বি আংলং সংযোগী চাপৰমুখ ৰে'লৱে উৰণ সেতুৰ আজি শুভ উদ্বোধন কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই নৱ নিৰ্মিত উৰণ সেতুখনৰ শুভ উদ্বোধন কৰিব। ৮৪ কোটি ৬০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই উৰণ সেতুখনৰ দৈৰ্ঘ্যৰ এহেজাৰ ১৮৯ মিটাৰ। এই উৰণ সেতুখনৰ দ্বাৰা বছৰি ২০ লাখ লোকৰ লগতে ১৬ লাখৰো অধিক যান-বাহন চলাচল কৰি উপকৃত হ'ব বুলি আশা কৰা হৈছে। এই উদ্বোধন অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্ত, পীযুষ হাজৰিকা, বিধায়ক শশীকান্ত দাস আৰু লামডিঙৰ মাণ্ডলিক ৰে'ল প্ৰবন্ধক সমীৰ লোহানী উপস্থিত থাকিব।

০০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, ইছৰোৰ নেচনেল স্পেচ ছাইন্স ছিম্ফোজিয়ামৰ উদ্যোগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কালি এখন বিশেষ প্ৰচাৰ কাৰ্যসূচী অনুষ্ঠিত হয়। এই প্ৰচাৰ কাৰ্যসূচীৰ মূল উদ্দেশ্য হৈছে ইছৰোৰ নেচনেল স্পেচ ছাইন্স ছিম্ফোজিয়ামৰ উদ্যোগত শ্বিলঙৰ নৰ্থ-ইষ্ট স্পেচ এপ্লিকেছন চেণ্টাৰত ২০২৬ চনৰ ফেব্ৰুৱাৰী মাহত হ'বলগীয়া আলোচনা চক্ৰত উত্তৰ-পূবৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰা গৱেষণা প্ৰকল্প উপস্থাপন কৰিবলৈ সুযোগ প্ৰদান কৰা। এই লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি ইছৰোৰ ড০ অৰূপ বুঢ়াগোঁহাইসহ দুজনীয়া বিজ্ঞানীৰ দলৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ কল্যাণ ভূঞাকে ধৰি উপস্থিত সমল ব্যক্তিসকলে ছাত্ৰ-ছাত্ৰীক উদ্বুদ্ধ হোৱাকৈ বিশেষ সজাগতামূলক ভাষণ দিয়ে। এই অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কেইবাখনো মহাবিদ্যালয়ৰ ১৩০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছহিদ খৰ্গেশ্বৰ তালুকদাৰ খেলপথাৰত কালি ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু নাজিৰা মহাবিদ্যালয়ৰ মাজত আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাখনৰ চূড়ান্ত খেলখন অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনত নাজিৰা মহাবিদ্যালয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি বিজয়ৰ খিতাপ দখল কৰে। এই আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাখনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ ৫৪ খন মহাবিদ্যালয়ে অংশগ্ৰহণ কৰে। নাজিৰা মহাবিদ্যালয়ৰ অম্বিৰ চেত্ৰী প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে আৰু চূড়ান্ত খেলত বিভান লহকৰে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে।

০০০০০০

News Paper REV

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহত লালকিল্লাৰ সমীপৰ বিস্ফোৰণ, বিহাৰ বিধানসভাৰ তৃতীয় তথা শেষ পৰ্যায়ৰ ভোটগ্ৰহণ আৰু ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত ৰাজ্য চৰকাৰে ভালেসংখ্যক পৰিয়াললৈ সুলভ মূল্যত কেইবাবিধো খাদ্য, সামগ্ৰী যোগান ধৰা আদি বাতৰিসমূহ প্ৰকাশ পাইছে।

দি আছাম ট্ৰিবিউন কাকতত অসমৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত অন্তৰ্ভুক্ত লোকসকলক পৰিচয় পত্ৰ প্ৰদানৰ নিৰ্দেশ বিচৰা আবেদন সন্দৰ্ভত কালি কেন্দ্ৰ আৰু অসম চৰকাৰ তথা নাগৰিক পঞ্জীয়নৰ মহাপঞ্জীয়কলৈ উচ্চতম ন্যায়ালয়ে জাননী জাৰি কৰাৰ বাতৰিটো প্ৰকাশ পাইছে।

দৈনিক জনমভূমি কাকতত গুৱাহাটীৰ ছি জে এম আদালত স্থানান্তৰৰ বিৰোধীতাৰে আজি অধিবক্তা সমাজে গ্ৰহণ কৰা আদালত বৰ্জন কাৰ্যসূচীৰ বাতৰি প্ৰকাশ হৈছে।

ৰাজ্যৰ ২৬ টাকৈ জনজাতীয় সংগঠনৰ আহ্বানত কালি সোণাপুৰত কেইবা হাজাৰ জনজাতীয় লোক ঐক্যবদ্ধ হৈ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰস্তাৱ বিৰোধিতা কৰাৰ এটা বাতৰি দৈনিক অসম কাকতে প্ৰকাশ কৰিছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

তিতাবৰৰ শিলিখাবাৰী গ্ৰাণ্টৰ ছাত্ৰী হত্যাকাৰীক দৃষ্টান্তমূলক শাস্তিৰ দাবীত ৰাইজে ৰাজপথত প্ৰতিবাদ কৰাৰ বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে।

জনগাঠনিৰ পৰিৱৰ্তনে অসমৰ সম্পদ অৰ্থনীতিৰ ক্ষতি কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৰা দাবীৰে আমাৰ অসম কাকতে বাতৰি প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে কাকতখনৰ প্ৰতিষ্ঠাৰ ৰূপালী জয়ন্তী উদযাপনৰ এটা বাতৰি আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কাশ্মিৰী মহিলা চিকিৎসকৰ বাহনত ৰাইফল, গুলী, পিষ্টল, ৰাসায়নিক পদাৰ্থ ভৰ্তি ১২টা বাকচ সহ বহু নিষিদ্ধ সামগ্ৰী উদ্ধাৰ কৰাৰ এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী আৰু পৰৱৰ্তী সময়ত বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ আৰু মিজোৰামত ঠাই বিশেষে ডাঠ কুৱলীয়ে ঢাকি ৰখাৰ লগতে অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰাৰ অঞ্চল বিশেষে বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত